১০.৫.২ বৰ্ণনাত্মক দৃষ্টিভংগী ঃ

বৰ্ণনাত্মক দৃষ্টিকোণৰপৰা কৰা অৰ্থতত্ত্বৰ আলোচনাত কোনো এটা ভাষাত উচ্চাৰিত শব্দই বিভিন্ন পৰিৱেশত সৃষ্টি কৰা অৰ্থ সম্পৰ্কে বিশ্লেষণ আগবঢ়ায়। আমাৰ চাৰিওফালে সিঁচৰতি হৈ থকা শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু শব্দৰ মাজত অন্তৰ্নিহিত হৈ থকা গুণ বা ধৰ্মৰ বিশ্লেষণ কৰা হয়। শব্দই কেনেকৈ অৰ্থ গ্ৰহণ কৰে আৰু প্ৰকাশ কৰে, শব্দৰ প্ৰকৃত অৰ্থ পাবলৈ হ'লে কেনেকৈ সমাৰ্থক শব্দ, বিপৰীতাৰ্থক আৰু বহু অৰ্থ প্ৰকাশক শব্দৰ আলম ল'ব লাগে, এনেবোৰ কথাও অৰ্থতত্ত্বৰ আলোচনাৰ ভিতৰুৱা। বিশেষকৈ গঠনাত্মক ভাষাবিজ্ঞানৰ সহায়ত বিশ্লেষণ কৰা হয়। তদুপৰি সুৰ, সুৰ লহৰ (intonation), বিৰাম আদিয়েও শব্দগুচ্ছ বা বাক্যৰ অৰ্থ নিয়ন্ত্ৰণ কৰে আৰু বক্তা আৰু শ্ৰোতাৰ ভাবৰ সহগামিতাই কেনেকৈ শব্দগুচ্ছ বা বাক্যৰ অৰ্থ বোধগম্য কৰি তোলে, এনেবোৰ কথাও আধুনিক ভাষাবিজ্ঞানত অৰ্থতত্ত্বই সামৰিব খোজে।

বৰ্ণনাত্মক দৃষ্টিকোণৰপৰা বিশেষকৈ শব্দৰ অৰ্থৰ গঠন সম্পৰ্কে আলোচনা কৰা হয়। অৰ্থতত্ত্বৰ বিজ্ঞানসম্মত আলোচনাৰ গুৰি ধৰোঁতা Bierwisch Manfred-এ শব্দৰ অৰ্থত প্ৰধানকৈ দুটা উপাদান (Components) নিহিত হৈ থকাৰ কথা উল্লেখ কৰিছে।[৪] যেনে —

(ক) অৰ্থগত উপাদান (Semantic Components)

(খ) সম্পৰ্কগত উপাদান (Relational Components)

**(ক) অৰ্থগত উপাদান ঃ**

বক্তাই উচ্চাৰণ কৰা কোনো এটা শব্দ শ্ৰোতাৰ কাণত পৰাৰ পাছত শ্ৰোতাৰ মনত এক মানসিক প্ৰতিচ্ছবি ভাঁহি উঠে। বক্তাই কোৱা শব্দটো সম্পৰ্কে শ্ৰোতাৰ পূৰ্বজ্ঞান বা ধাৰণা থকাৰ বাবেই শ্ৰোতাৰ মনত সেই মানসিক প্ৰতিচ্ছবি জাগি উঠিছে। ভাষাত উচ্চাৰিত প্ৰতিটো শব্দৰ লগত সাংস্কৃতিক পৰম্পৰা আৰু সামাজিক আচাৰ-বিচাৰৰ কথা জড়িত হৈ থাকে, শ্ৰোতাৰ এনে কথা সম্পৰ্কে পূৰ্বলব্ধ জ্ঞান থাকে। শব্দৰ অৰ্থতত্ত্বৰ বিচাৰত শব্দত অন্তৰ্নিহিত হৈ থকা গুণ বা ধৰ্মৰ বিশ্লেষণ অতি আৱশ্যক। বক্তাই বয়স, অৱস্থা, গুণ, ধৰ্ম অনুযায়ী শব্দবোৰ ব্যৱহাৰ কৰে আৰু শ্ৰোতাই তাক হৃদয়ংগম কৰি লয়। বক্তাই 'ফুল' শব্দটো উচ্চাৰণ কৰিলে শ্ৰোতাই কোনো এবিধ ফুলৰ কথা উপলব্ধি কৰিব পাৰে; কিন্তু বক্তাই কোৱা আৰু শ্ৰোতাই উপলব্ধি কৰা ফুল একেবিধ নহ'বও পাৰে, কিন্তু ফুলৰ যে বিবিধ প্ৰকাৰ আৰু ৰং আছে, বিবিধ গোন্ধ আছে আদি ফুলৰ সকলো গুণৰ কথা শ্ৰোতাৰ মনলৈ আহে। ঠিক তেনেদৰে বয়স আৰু ক্ৰিয়া অনুসৰি 'গৰু' বুজাবলৈ ব্যৱহাৰ কৰা বিভিন্ন শব্দ, যেনে — দমৰা, দামুৰী, চেউৰী, বলদ, ষাড়, গাই আদি শব্দক সিহঁতৰ গুণ বা ধৰ্ম অনুযায়ী বক্তা আৰু শ্ৰোতাই বিভিন্ন শ্ৰেণী (category)ত ভগাই লয়। শব্দত অন্তৰ্নিহিত হৈ থকা গুণ বা ধৰ্মসমূহলৈ মনত পেলাই বক্তাই শব্দবোৰ ব্যৱহাৰ কৰে আৰু শ্ৰোতাই তাৰ অৰ্থ হৃদয়ংগম কৰে। পাহাৰ বগায়, চৰাই উৰে, হাঁহ পানীত চৰে, ল'ৰাবোৰে সাঁতোৰে, বামে খোজ কাঢ়ে, খৰি লুৰে, গছ কাটে, গছত উঠে আদি বিশেষ্য পদৰ লগত সংযোগ হোৱা প্ৰত্যেকটো ক্ৰিয়াপদেই সুকীয়া। প্ৰত্যেকটোৱে শাৰীৰিক কাৰ্য প্ৰকাশক বিশিষ্ট গুণৰ অধিকাৰী হোৱা হেতুকে প্ৰত্যেকটোৰ ব্যৱহাৰ সুকীয়া সুকীয়া আৰু নিৰ্দিষ্ট গুণ সম্বলিত। বক্তা আৰু শ্ৰোতাৰ পূৰ্বধাৰণা থকাৰ বাবেই জ্ঞানৰ সহায়ত শব্দৰ অৰ্থ বোধ জন্মে।

**(খ) সম্পৰ্কগত উপাদন ঃ**

ভাষাত ব্যৱহৃত প্ৰায়বোৰ শব্দৰ অৰ্থ পৰস্পৰ নিৰ্ভৰশীল। এটা শব্দৰ অৰ্থ

জনাৰ লগে লগে সেই শব্দৰ লগত সম্পৰ্ক থকা আনবোৰ শব্দৰ অৰ্থ জনাৰ আৱশ্যক। বক্তাই 'ৰঙা' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে শ্ৰোতাৰ 'ৰঙা' ৰঙৰ প্ৰকৃত অৰ্থ জানিবলৈ হ'লে অন্যান্য ৰং বুজোৱা শব্দ নীলা, বগা, আকাশী, সেউজীয়া, বেঙুনীয়া, ক'লা, খয়েৰী, কমলা, সেন্দুৰীয়া, কলপতীয়া আদি ৰং বুজোৱা শব্দবোৰৰ বিষয়েও জানিব লাগিব। এই শব্দবোৰৰ অন্তৰ্নিহিত গুণ একে হোৱাৰ বাবে সেইবোৰক একোটা অৰ্থগত ক্ষেত্ৰ (Semantic Field) বুলি ধৰা হয়। ভাষাত ব্যৱহৃত প্ৰায়বোৰ শব্দকে এনেদৰে একোটা অৰ্থগত ক্ষেত্ৰত বিভাজন কৰি শব্দৰ অৰ্থ নিৰূপণ কৰা হয়। 'চৰাই'ৰ কথা জানিবলৈ বা 'চৰাই' শব্দৰ প্ৰকৃত শব্দৰ অৰ্থ জানিবলৈ 'চৰাই' সম্পৰ্কীয় শব্দবোৰ, যেনে — ডেউকা, পাখি, ঠেং, ঠোঁট, আকাশ, উৰণ, বতাহ আদি শব্দৰ অৰ্থও জানিব লাগিব। জন্তুৰ কথা জানিবলৈ জন্তুৰ লগত সম্পৰ্ক থকা নোম, ছাল, খুৰা, শিং, চকু, নেজ আদিৰ কথা জানিব লাগে।

প্ৰত্যেক ভাষাৰে বিশেষ্য আৰু ক্ৰিয়া পদবোৰৰ মাজত সহ সম্বন্ধ থাকে। 'মানুহ' বিশেষ্য পদৰ লগত — হাঁহে, কান্দে, কয়, ভাবে, দেখে, চোৱা আদি ক্ৰিয়াপদ ব্যৱহাৰ হয়। ঠিক তেনেদৰে 'ৰোৱা' ক্ৰিয়াপদে ফুল, গছ, ধান, পুলি আদি বিশেষ্য পদকহে কৰ্তা হিচাপে গ্ৰহণ কৰে। 'গুণগুণনি' শব্দৰ অৰ্থৰ লগত সম্পৰ্ক আছে মৌ-মাখি আৰু ভোমোৰাৰ। তদুপৰি গুণগুণকৈ গোৱা গীতৰ লগতো সম্পৰ্ক নিৰ্ভৰ। ঠিক তেনেদৰে 'গৰজা' ক্ৰিয়া পদ হাতীৰ গৰ্জন, বাঘৰ গৰ্জন, সিংহৰ গৰ্জন, সাগৰৰ গৰ্জন, মেঘৰ গৰ্জন আদিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। শব্দৰ অৰ্থ গঠনৰ এনে আলোচনা অৰ্থতত্ত্বৰ ভিতৰুৱা।

বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে শব্দৰ অৰ্থবিচাৰত শব্দসমূহে পালন কৰা ভূমিকা অনুসৰি শব্দসমূহক বিভিন্ন ভাগত ভাগ কৰি বিচাৰ কৰা হয়। যেনে —

**১। শব্দৰ বহুধা অৰ্থ ঃ**

প্ৰত্যেক ভাষাতে এনে কিছুমান শব্দ আছে, যিবোৰ শব্দই এটাতকৈ অধিক অৰ্থ প্ৰকাশ কৰে। প্ৰত্যেক শব্দই আভিধানিকভাৱে এটা স্বতন্ত্ৰ অৰ্থ প্ৰকাশ কৰে বুলি ধৰা হয় যদিও শব্দবোৰৰ মাজত বহু অৰ্থ নিহিত হৈ থাকে। মাতৃভাষাৰ লগত পৰিচয় থকাৰ বাবে বক্তাই কি প্ৰসংগত শব্দটো ব্যৱহাৰ কৰিছে অৰ্থাৎ বক্তাৰ বাচন জ্ঞান (Knowledge of discourse) প্ৰসংগত শ্ৰোতাই পূৰ্বজ্ঞানৰ বাবে শব্দৰ উপযুক্ত অৰ্থ উদ্ধাৰ কৰি লয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'পাত্ৰ' শব্দৰ অৰ্থ 'আধাৰ', কিন্তু পাত্ৰ আহিছে, পাত্ৰ বিচাৰিছে, পাত্ৰত আছে — এই তিনিটা বাক্যত 'পাত্ৰ' শব্দই ক্ৰমে কোনো ব্যক্তিৰ নামবিশেষ, দৰা আৰু আধাৰ এই তিনিটা অৰ্থ

সূচাইছে। ঠিক তেনেদৰে, 'কাগজ' শব্দই লিখিবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলিক বুজায়, কিন্তু যদি আমি কওঁ কাগজ কিনিবলৈ পইচা নাই, আজি কাগজ নাই দিয়া, ইয়াত প্ৰথম 'কাগজ' শব্দই লিখিবলৈ ব্যৱহাৰ কৰা সঁজুলিক বুজাইছে আৰু দ্বিতীয় 'কাগজ' শব্দই বাতৰি কাকতৰ কথা বুজাইছে। 'আই' শব্দই কেইবাটাও অৰ্থ সূচাইছে, কেতিয়াবা মাকক বুজায়, কেতিয়াবা কন্যা, কেতিয়াবা মহিলা, কেতিয়াবা এবিধ বেমাৰক বুজায়। তেনেকৈ অসমীয়াত 'শ' শব্দই 'এশ', 'দুশ', 'তিনিশ' আদি সংখ্যা বুজায় আৰু কেতিয়াবা মৃত ব্যক্তি অৰ্থাৎ মৰা শ বুজায়। 'ৰং' শব্দই এবিধ বৰণ বুজায় আৰু মনত আনন্দ লগাও বুজায়। ইংৰাজী ভাষাতো এনে একে অৰ্থবাচক বহু শব্দ পোৱা যায়। ইংৰাজী ভাষাৰ head, light, partner, sound আদি শব্দই এটাতকৈ অধিক অৰ্থ প্ৰকাশ কৰে। head শব্দৰ অৰ্থ human head, head of department, bridge head আদি হ'ব পাৰে। ঠিক তেনেদৰে light শব্দৰ অৰ্থ পাতল আৰু পোহৰ দুয়োটাই হ'ব পাৰে। Partner শব্দৰ অৰ্থ হৈছে 'দুজন মানুহৰ মাজত সম্বন্ধ' কিন্তু এই সম্বন্ধ ভিন্ন ধৰণে গ্ৰহণ কৰিব পাৰে, যেনে — business partner, marriage partner, partner in crime, room partner ইত্যাদি। অসমীয়া ভাষাতো এনে কিছুমান শব্দ আছে, যিবোৰ শব্দৰ আভিধানিক অৰ্থৰ উপৰি বাক্যত বিভিন্ন পটভূমি বা প্ৰসংগত এনে শব্দই ভিন্ন অৰ্থ প্ৰকাশ কৰে। যেনে — 'মুখ' শব্দই সাধাৰণতে মানুহে কথা কোৱা বা খোৱা মুখক বুজায়। তদুপৰি, সকলো জীৱন-জন্তুৰ মুখমণ্ডলক বুজায় আৰু আনহাতে নদীৰ মুখ, কলহৰ মুখ, পদূলি মুখ, দুৱাৰ মুখ আদিকো বুজায়।

**২। শব্দৰ বিপৰীত অৰ্থ ঃ**

শব্দৰ অৰ্থ বিশ্লেষণত বিপৰীত অৰ্থবাচক শব্দৰ ভূমিকা যথেষ্ট। আমি কোনো এটা শব্দৰ প্ৰকৃত অৰ্থ উদ্‌ঘাটন কৰিবলৈ বহু সময়ত সেই শব্দৰ বিপৰীত অৰ্থৰ সহায় লওঁ। এটা শব্দৰ অৰ্থবোধ জন্মাৰ লগে লগে সেই শব্দৰ লগত সম্পৰ্ক থকা অন্য কিছুমান শব্দলৈ মনত পেলাই দিয়ে। সেই শব্দবোৰ একে অৰ্থবোধকো হ'ব পাৰে বা বিপৰীত অৰ্থ প্ৰকাশকো হ'ব পাৰে। ই মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। সাধাৰণতে শব্দ সৃষ্টি কৰোঁতে বৈপৰীত্য ধাৰণা লৈয়ো বহু শব্দ সৃষ্টি কৰা হয়। যিহেতু আমাৰ চাৰিওফালে থকা পাৰ্থিৱ জগতখনৰ কিছুমান কাৰ্য গুণ বা ধৰ্ম পৰস্পৰ বিৰোধী, এই পৰস্পৰ বিৰোধী গুণ বা ধৰ্মৰ ধাৰণাবোৰে পৃথিৱীৰ প্ৰায়বোৰ ভাষা-ভাষীৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, সেয়ে ভাষাত এনে বৈপৰীত্য গুণ সম্বলিত বহু শব্দ পোৱা যায়। যেনে — ভাল-বেয়া, উত্তম-অধম, গৰম-ঠাণ্ডা, তপত-চেঁচা, আন্ধাৰ-পোহৰ, গধুৰ-পাতল, ডাঠ-

পাতল, ওখ-চাপৰ, দীঘল-চুটি, মিঠা-টেঙা, কেঁচা-পকা, তিতা-কেঁহা, ডেকা-গাভৰু, পুৰুষ-মহিলা, ল'ৰা-ছোৱালী ইত্যাদি। শব্দবোৰৰ অৰ্থ বৈপৰীত্য ধাৰণাৰ যোগেদি অৰ্থবোধ জন্মা সহজ। বহু সময়ত ছাত্ৰ-ছাত্ৰীক বৈপৰীত্য ধাৰণাৰ যোগেদি নতুন শব্দৰ জ্ঞান দিয়া হয়।

বৈপৰীত্য ধাৰণা নিৰ্দেশক শব্দবোৰৰ উপৰি ইহঁতৰ মধ্যৱৰ্তী কিছুমান শব্দ পোৱা যায়। গৰমৰ বিপৰীতে ঠাণ্ডা, অৰ্থাৎ যি ঠাণ্ডা নহয় সি গৰম আৰু যি গৰম নহয়, সি ঠাণ্ডা, কিন্তু ইয়াৰ মাজত 'কুহমীয়া' বুলি এটা শব্দ আছে। ইয়াৰ অৰ্থ বিশ্লেষণ কৰিবলৈ হ'লে যি বেছি গৰম নহয় বা বেছি ঠাণ্ডাও নহয়, ইয়াত গৰম আৰু ঠাণ্ডা দুয়োটাৰে কিছু গুণ থাকিব লাগিব। ঠিক তেনেদৰে পোহৰৰ বিপৰীতে আন্ধাৰ শব্দ পোৱা যায়। কিন্তু ইয়াৰ মাজত চিকিমিকি বা কানিমুনি বুলি এটা শব্দ আছে, কিন্তু এই কানিমুনি সময়ছোৱাৰ লেখ দিয়াটো কঠিন, কাৰণ এই সময়ছোৱাত কিছু পোহৰ আৰু কিছু আন্ধাৰ থাকিব লাগিব। এনেধৰণৰ শব্দবোৰৰ প্ৰতি স্পষ্ট ধাৰণা নাথাকিলে অৰ্থবোধ জন্মাত কেতিয়াবা খেলিমেলিৰ সৃষ্টি হ'ব পাৰে। এনে শব্দবোৰৰ ব্যৱহাৰত বক্তা আৰু শ্ৰোতাৰ স্পষ্ট ধাৰণা থাকিব লাগে। অৰ্থতত্ত্বৰ আলোচনাই এনে বৈপৰীত্য ধাৰণা নিৰ্দেশিত শব্দ, সীমান্তৱৰ্তী শব্দ আৰু সিহঁতৰ অৰ্থৰ স্পষ্টতা সম্পৰ্কে আমাক সচেতন কৰি তোলে।

**৩। সমাৰ্থবাচক শব্দ ঃ**

প্ৰত্যেক ভাষাতে বহু সমাৰ্থক শব্দৰ ব্যৱহাৰ আছে। ওপৰা-উপৰিকৈ চালে এই শব্দবোৰক সমাৰ্থবাচক শব্দ যেন লাগিলেও প্ৰকৃতাৰ্থত সমাৰ্থবাচক নহয়। এনে শব্দ কিছুমান বাক্যত ব্যৱহাৰ কৰোঁতে এটাৰ ঠাইত অন্য এটা প্ৰয়োগ কৰিব পাৰি। কিন্তু কিছুমান শব্দ আকৌ এটাৰ ঠাইত অন্য এটা পৰিৱেশত ব্যৱহাৰ কৰিব নোৱাৰি। অসমীয়া ভাষাৰ বিতোপন-ধুনীয়া, তপত-গৰম, চেঁচা-ঠাণ্ডা, দ-গভীৰ, লোৱা-নিয়া, দেখা-চোৱা, কন্যা-ছোৱালী দেখাত সমাৰ্থবাচক যেন লাগিলেও প্ৰকৃতাৰ্থত সমাৰ্থবাচক নহয়। বিতোপন আৰু ধুনীয়া শব্দৰ ব্যৱহাৰত বিতোপন বাগিচা, ধুনীয়া ছোৱালী বুলি ক'ব পাৰোঁ। কিন্তু ধুনীয়া বাগিচা আৰু বিতোপন ছোৱালী বুলি ব্যৱহাৰ কৰিব নোৱাৰি। ঠিক তেনেদৰে, আজি বৰ গৰম, পানীখিনি বৰ তপত, ঠাণ্ডা লাগিছে, বৰফখিনি চেঁচা, পুখুৰীটো বৰ দ, সাগৰৰ তলিখন গভীৰ আদি ব্যৱহাৰ কৰিব পাৰি। কিন্তু ইহঁতৰ ইটোৰ ঠাইত সিটোৰ ব্যৱহাৰ কৰিব নোৱাৰি। 'তপত' শব্দটো ক্ৰিয়াৰূপে ব্যৱহাৰ কৰিব পাৰি। পানীখিনি তপতালোঁ, কিন্তু গৰমালো ক'লে ভুল হ'ব। কেতিয়াবা কিছুমান শব্দ ক্ষেত্ৰবিশেষে সমাৰ্থকৰূপে ব্যৱহাৰ হ'ব পাৰে। দ আৰু গভীৰ শব্দৰ ব্যৱহাৰত পুখুৰীটো বৰ দ, গভীৰ পুখুৰী, মোৰ মনত দকৈ সাঁচ বহুৱালে, মোৰ মনত গভীৰ সাঁচ বহুৱালে ইত্যাদি সমাৰ্থক।

কিন্তু সাগৰ দ নহয় গভীৰহে হ'ব, বেদনা দ নহয়, গভীৰহে হ'ব। ঠিক তেনেদৰে কন্যা-ছোৱালী শব্দৰ ব্যৱহাৰ কেতিয়াবা সমাৰ্থবাচক হয় আৰু কেতিয়াবা সমাৰ্থবাচক নহয়; যেনে — নেহৰুৰ একমাত্ৰ কন্যা ইন্দিৰা গান্ধী আৰু নেহৰুৰ একমাত্ৰ ছোৱালী ইন্দিৰা গান্ধী একে সমাৰ্থবাচক। ঠিক তেনেদৰে — ছোৱালী মহাবিদ্যালয়, মহিলা মহাবিদ্যালয় সমাৰ্থবাচক; কিন্তু মোৰ দুজনী ছোৱালী আছে, মোৰ দুজনী কন্যা আছে, কন্যাজনী বৰ ধুনীয়া, ছোৱালীজনী বৰ ধুনীয়া একে সমাৰ্থক নহয়, ইয়াত 'কন্যা' শব্দই নতুনকৈ বিয়া কৰাই অনা ছোৱালীজনীক বুজাইছে আৰু ছোৱালী শব্দই বিশেষ ছোৱালীজনীকহে বুজাইছে। ঠিক তেনেদৰে, 'আজিকালি ছোৱালীবোৰে সকলো কামতে আগভাগ লয়' এই বাক্যটোৰ 'ছোৱালীবোৰ'ৰ ঠাই কন্যা বহুৱাব নোৱাৰি। যিহেতু সকলো ছোৱালী কন্যা নহয়।

প্ৰত্যেক ভাষাত কিছুমান শব্দ আছে যিবোৰৰ অৰ্থ বিচাৰি তাৰ সমান্তৰাল অন্য শব্দৰ আশ্ৰয় ল'ব লগা হয়। উদাহৰণস্বৰূপে, 'ঘৰ' শব্দ বুলিলে আমি মোটামুটিকৈ কিবা এটা অৰ্থ বুজোঁ, কিন্তু 'ঘৰ' বুজোৱা একে সমাৰ্থক শব্দ জুপুৰি, দালান, অট্টালিকা আদি শব্দৰ প্ৰয়োগত তাৰতম্য আছে। কিন্তু অৰ্থতত্ত্বৰ সহায়ত এনেকুৱা সমাৰ্থক শব্দবোৰৰ অৰ্থ সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়াব পাৰি। 'জুপুৰি' বুলিলে কিহেৰে তৈয়াৰ হ'ব লাগিব, ঠিক তেনেদৰে অট্টালিকা বা দালান হ'বলৈ কিমান ডাঙৰ হ'ব লাগিব, তৈয়াৰ কৰা সামগ্ৰী কেনেধৰণৰ হ'ব আৰু কিমান মজবুত হ'ব, এনেধৰণৰ কথাবোৰ নিৰীক্ষণ কৰিহে অৰ্থতত্ত্বই ব্যাখ্যা আগবঢ়াব পাৰে। শব্দৰ অৰ্থ বিচাৰত মাতৃভাষীৰ বহিৰ্জগতৰ জ্ঞানৰ আৱশ্যক। এই জ্ঞানৰ সহায়তেই বক্তাই কোৱা কথা শ্ৰোতাই বুজি পায়। অৰ্থতত্ত্বৰ আলোচনাতো শব্দৰ কেৱল মূল অৰ্থ উদঘাটন নকৰি ইয়াৰ অভিধা অৰ্থ বিচাৰ কৰে আৰু সম্ভৱপৰ সকলো ছায়া অৰ্থ খুটি-নাটি মাৰি বিচাৰ কৰিব বিচাৰে।

৪। **অভ্যন্তৰাৰ্থ প্ৰকাশক শব্দ ঃ**

একোটা শব্দৰ অৰ্থ আন এটা শব্দৰ পৰিধিৰ মাজত সোমাই থাকে। উদাহৰণ স্বৰূপে, 'ৰঙা' শব্দই তেজৰ কথা, গোলাপৰ কথা নতুবা ফুলৰ কথাও প্ৰকাশ কৰিব পাৰে। ঠিক তেনেকৈ 'কন্দা' শব্দৰ ভিতৰত উচুপা আৰু ফেঁকুৰা এই দুটা শব্দ সোমাই আছে। কিন্তু প্ৰত্যেকৰে গুণ বেলেগ বেলেগ। 'সখী' আৰু 'বন্ধু' এই শব্দ দুটাৰ 'বন্ধু' শব্দৰ মাজত 'সখী' শব্দ সোমাই আছে। যিহেতু সখীও এক প্ৰকাৰৰ বন্ধু। কিন্তু সকলো বন্ধু সখী হ'ব নোৱাৰে। দুজন মানুহৰ আন্তৰিকতা বন্ধুতকৈ সখীৰ ক্ষেত্ৰতহে বেছি। 'তেওঁ মোৰ মৰমৰ বন্ধু' আৰু 'তেওঁ মোৰ প্ৰিয় বন্ধু' — এই বাক্যদুটাত 'মৰমৰ বন্ধু' আৰু 'প্ৰিয় বন্ধু' দেখাত সমাৰ্থক হ'লেও ই সমাৰ্থক নহয়। যিহেতু মৰমৰ অৰ্থৰ পৰিধি প্ৰিয়তকৈ সংকীৰ্ণ। 'প্ৰিয়' বুলি ক'লে বেছি ওচৰৰ সম্পৰ্কক বুজায়।